দিনাংক- **১১ মাৰ্চ ২০১৪**

## সংসদীয় সদস্য আৰু বিধানসভাৰ সদস্য জড়িত গুচৰ দ্ৰুত শুনানী

অৰুণ জেটলী
ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা

পাব্লিক ইন্টাৰেষ্ট ফাউনডেচন নামৰ এটা এন জি অ' য়ে উচ্চতম ন্যায়লয়ত এখন আবেদন দাখিল কৰিছিল যাৰ শুনানীত যোৱাকালি উচ্চতম ন্যায়লয়ে অন্তৰীম আদেশ মৰ্মে কৈছে যে, যি সকল সংসদীয় সদস্যই আৰু বিধনসভা সদস্যই দূৰ্নীতি গুচৰত জ্‌ড়িত আছে আৰু তেনে অপৰাধৰ শাস্তি ২ বছৰ বা ততোতকৈও অধিক তেনে গুচৰৰ প্ৰতিদিন শুনানী কৰিব লাগে আৰু দোষাৰূপ কৰাৰ ১ বছৰৰ ভিতৰত তেনে গুচৰ সমাপ্ত হ'ব লাগে । লগতে কয় যে নিৰ্দিষ্ট সময়ৰ ভিতৰত শুনানী সমাপ্ত নকৰিলে আদালতে ইয়াৰ কাৰণ উচ্চ ন্যায়লয়ৰ মুখ্য ন্যায়ধীশক জনাব লাগিব ।

ৰাজনীতি অপৰাধীকৰণৰ দ্বৰে গম্ভীৰ সমস্যাৰ ভাৰতীয় ৰাজনীতিয়ে সন্মূখীন হ'ব লগা হৈছে । এনে ধাৰণা আছে যে অপৰাধী লোক অথবা অপৰাধমূলক গুচৰত নাম থকা ব্যক্তিকহে ৰাজনৈতিক দ'লে সংৰক্ষণ দিয়ে যাৰ বাবে দেশৰ জনসাধাৰণৰ মাজত ৰাজনীতিৰ গুণৱত্তা আৰু আইনপ্ৰণয়ণকাৰী লোকক্ক লৈ ভাল ধাৰণা কৰিব পৰা নাই । নিৰ্বাচনী আয়োগ আৰু ল কমিচনে কিছুমান সাধাৰন উপায়ৰ পৰামৰ্শ দিছে । তেওঁলোকে যুক্তি দৰ্শইছে যে কোনো ব্যক্তি যাৰ বিৰুদ্ধে বিশেষ শ্ৰেণীৰ অপৰধমূলক গুচৰ আছে তেওঁ প্ৰাৰ্থী হিচপে যোগ্য নহ'ব । ইয়ৰ বিপৰীতে কনষ্টিটিউচন এণ্ড ৰিপ্ৰেজেনটেচন অফ পিউপুলচ এক্ট অনুসৰি দোষী সাব্যস্ত হোৱা লোকক প্ৰাৰ্থীত্বৰ পৰা বঞ্চিত ৰাখিব লাগে । চাৰ্জশ্বীটত নাম থকা প্ৰতিনিধিক লৈ ই একো বিষয় সন্নিবিষ্ট কৰা নাই । এইয়াই ৰাজহুৱা জনমত আৰু আইনী প্ৰয়োজনীয়তাৰ মাজত বিভেদৰ সৃষ্টি কৰিছে ।

ৰাজনৈতিক দ'লৰ বহুতো বৈঠকত এই বিষয়ত আলোচনা কৰিছে যদিও ইয়াৰ সমাধান ওলিয়াব পৰা নাই । ৰাজনৈতিক দ'লে যুক্তি দাঙি ধৰিছে যে আইনৰ মতে যেতিয়ালৈ এজন ব্যক্তি দোষী সাব্যস্ত কৰা নহয় তেতিয়ালৈকে তেওঁ নিৰ্দোষী । কোনো গুচৰত নাম থকা ব্যক্তিক দোষী বুলি ভাবিব নোৱাৰি । লগতে তেওঁলোকে কয় যে আইন ব্যৱস্থাৰ ৰাজ্যৰ বিষয়বস্তু আৰু যেনে ৰাজনীতি হৈ আছে কাৰোবাৰ বাবে বিৰোধী দ'লৰ ব্যক্তিক

মিছা গুচৰত নাম দিয়া কঠিন কাম নহয় । আদালতে তথ্যৰ ভিত্তিতহে দোষাৰূপ কৰে । দোষৰূপ হোৱাৰ লগতে অযোগ্য হোৱাটো ব্যৱস্থাৰ অপব্যৱহাৰ হ'ব ।

এন ডি এ ৰ শাসনকালত আমি মাজেৰে কাম কৰি গৈছিলো । আমি এখন বিধেয়ক তৈয়াৰ কৰিছিলো যি জঘন্য অপৰাধৰ বিষয়ে সন্নিবিষ্ট কৰে । যদি জঘন্য অপৰধৰ দুটা গুচৰত এজন ব্যক্তিৰ নাম সোমাই পৰে তেনেহ'লে তেওঁ নিৰ্বাচনী প্ৰতিদন্দিতাৰ বাবে অযোগ্য কৰি দিয়া হ'ব । এন ডি এ ৰ চৰকাৰে প্ৰস্তাৱ কৰা এই বিধেয়কক আন ৰাজনৈতিক দ'লে নাকচ কৰিছিল ।

তেনেহ'লে ইয়াৰ সমাধান কি হ'ব ? সম্পুৰ্ণ ব্যৱস্থাৰ মুকদৰ্শক হৈ থাকিব নেকি ? উচ্চতম ন্যায়লয়ে ইয়াৰ সমাধান ওলোৱাৰ চেষ্টা কৰিছে । এজন ব্যক্তি দোষী প্ৰমাণিত নোহোৱ লৈকে নিৰ্দোষীৰ সূত্ৰক উচ্চতম ন্যায়লয়ৰ এই সমাধানে সন্মান জনাইছে । ই উদগণি জনোৱা চাৰ্জশ্বীটক ওলিয়াই অনাত সহায় কৰিব । কেৱল চাৰ্জশ্বীটত নাম থাকিলে কোনো অযোগ্য কৰা নহয় । ঠিক একে সময়ত কোনো ৰাজনৈতিক নেতা, সংসদীয় সদস্য অথবা বিধানসভাৰ সদস্যৰ শুনানীত পলম কৰোৱাৰ কোনো অধিকাৰ নাই । যিহেতু তেওঁলোক লোকসেৱা পদত আছে, সেইবাবে তেওঁলোকক সন্দেহৰ বাহিৰত চাব লাগে । তেওঁলোকৰ শুনানী দ্ৰুত আৰু প্ৰতিদিনে বিচাৰাধীন হ'ব লাগে । এনে শুনানী ১ বছৰৰ ভিতৰত সমাপ্ত কৰিব লাগিব আৰু যদি নোৱাৰে তেনে তাৰ বিশ্বাসযোগ্য কাৰন দিব লাগিব ।

যেতিয়ালৈকে এজন ব্যক্তিক দোষী সাব্যস্ত নহয় তেতিয়ালৈকে তেওঁ নিৰ্দোষী, এই ধাৰণাক উচ্চতম ন্যায়লয়ৰ আদেশেও সন্মান জনাইছে । লগতে কৈছে যে নিৰ্বাচিত প্ৰতিনিধি কঠোৰ আৰু দ্ৰুত পৰীক্ষাৰ পাছতহে নিৰ্বাচনত যোগদান কৰিব লাগে । মই এই আদেশক অভিনন্দন জনাইছো । ই সঠিক দিশত গতি কৰিছে ।